*E-Āntarikī*, Vol-I, Issue-1, March 2026 ISSN: 3139-7573 (Online)

# লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত নৈতিকতাৰ প্ৰসংগঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

**অধ্যাপক অজিত ভৰালী**
অসমীয়া বিভাগ
কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়
Email: abharali@kbvsasun.ac.in

**সংক্ষিপ্তসাৰ**

লোককবিতাত যিদৰে নৈতিকতাৰ প্ৰসংগ আছে ঠিক সেইদৰে আধুনিক অসমীয়া কবিতাতো নৈতিকতাৰ প্ৰসংগ আছে। জোনাকী যুগৰ প্ৰধান কবি লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যৰ বিভিন্ন বিভাগৰ জৰিয়তে স্বদেশপ্ৰেমৰ বাণী প্ৰচাৰ কৰাৰ বাবে নৈতিকতাৰ প্ৰসংগ অনা দেখা যায়। ধৰ্ম গ্ৰন্থসমূহৰ জৰিয়তে নৈতিকতাৰ দিশ উন্মোচিত হোৱাৰ দৰে বেজবৰুৱাৰ ৰোমাণ্টিক কবিতাৰ মাজতো এই দিশ উন্মোচিত হৈছে। লক্ষ্মীনাথ বেজবৰুৱাৰ ‘কদমকলি’ কবিতা পুথিৰ কবিতাৰ মাজত থকা নৈতিকতাৰ দিশবিলাক এই গৱেষণা পত্ৰৰ জৰিয়তে বিশ্লেষণাত্মক পদ্ধতিৰে বিশ্লেষণৰ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দঃ** নৈতিকতা, কবিতা, কৰ্ম, লক্ষ্মীনাথ বেজবৰুৱা।